অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ : এজবেক/০১/২০ তাৰিখ : ০৭-০১-২০২০
*Ref :* *Date :*

প্ৰতি,

সভাপতি/সচিব, পৰিচালনা সমিতি
অধ্যক্ষ/প্ৰধান শিক্ষক
....................................................

শ্ৰদ্ধাভাজনেষু,

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ আৰু বিভিন্ন জিলাৰ জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিসমূহৰ যৌথ উদ্যোগত ২০১৯ বৰ্ষত গুৱাহাটীত তথা অসমৰ বিভিন্ন প্ৰান্তত জাতীয় বিদ্যালয় সত্তাৰ বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। এই সভাবোৰত প্ৰকাশিত বক্তব্য, পৰ্যালোচনা আৰু পৰামৰ্শৰ বিষয়ে বিতংভাৱে আলোচনা কৰি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কাৰ্যবাহী পৰিষদৰ যোৱা ২৬/১২/২০১৯ তাৰিখে অনুষ্ঠিত সভাত নিম্নলিখিত সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়।

**(১) প্ৰশ্নকাকত সম্পৰ্কীয় (ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষা) :**

(ক) যিসমূহ বিদ্যালয়ে ইতিমধ্যে এজবেকৰ প্ৰশ্নকাকতসমূহ সংগ্ৰহ কৰি আছে, সেইসমূহ বিদ্যালয়ৰ ক্ষেত্ৰত পূৰ্বৰ ব্যৱস্থাই বাহাল থাকিব।

(খ) ২০২০ শিক্ষাবৰ্ষৰ পৰা নতুনকৈ প্ৰশ্নকাকতৰ বাবে আবেদন জনোৱা বা জনাব খোজা বিদ্যালয়সমূহে ০৭-০৩-২০২০ তাৰিখৰ ভিতৰত নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত আবেদন জনাব লাগিব।
উক্ত বিদ্যালয়সমূহৰ বাৰ্ষিক প্ৰতিবেদন পৰ্যালোচনা কৰি প্ৰয়োজন সাপেক্ষে আলোচনাৰ বাবে মতা হ'ব। তাৰ পিছতহে প্ৰশ্নকাকত দিব পৰা/নোৱাৰাৰ কথাটো জনোৱা হ'ব।

(গ) যিসমূহ বিদ্যালয়ে নিজাববীয়াকৈ বা একোটা গোটত প্ৰশ্নকাকতসমূহ প্ৰস্তুত কৰিবলৈ বিচাৰে, তেখেতসকলে সম্পূৰ্ণ নিজা দায়িত্বত সেইদৰে প্ৰশ্নকাকত প্ৰস্তুত কৰিব পাৰিব। প্ৰতিবছৰে এনে প্ৰশ্নকাকতৰ কপি বাৰ্ষিক প্ৰতিবেদনৰ লগত দাখিল কৰিব লাগিব।

(ঘ) গোট পৰীক্ষাৰ বাবে এজবেকৰ ফালৰ পৰা প্ৰশ্নকাকত যোগান ধৰা নহয়।

**(২) প্ৰাক্-বিদ্যালয় সম্পৰ্কীয় :**

(ক) প্ৰাক্-বিদ্যালয় (অংকুৰ, প্ৰাক্-প্ৰাথমিক) পৰ্যায়ত আনুষ্ঠানিক পৰীক্ষা অনুষ্ঠিত নকৰাৰ নীতি অব্যাহত থাকিব। তাৰ পৰিৱৰ্তে বছৰজোৱা ধাৰাবাহিক মূল্যায়নৰ জৰিয়তে এন চি ই আৰ টিৰ (NCERT) নিৰ্দেশনাৰ আধাৰত প্ৰস্তুত কৰা 'অভিমত টোকা' বছৰটোত দুবাৰ শিশুসকলক প্ৰদান কৰাৰ ব্যৱস্থা বাহাল থাকিব।

(খ) এইক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষ আৰু শিক্ষক/শিক্ষয়িত্ৰীসকলক 'প্ৰাক্-বিদ্যালয় শৈক্ষিক কাৰ্যসূচী' নিয়াৰিকৈ ৰূপায়ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাই আহ্বান জনায়।

(গ) প্ৰাক্-বিদ্যালয় শিক্ষাৰ মূল নীতি আৰু আদৰ্শৰ বিষয়ে অৱগত কৰিবলৈ অভিভাৱকসকলৰ লগত সময়ে সময়ে আলোচনা সভা/কৰ্মশালা অনুষ্ঠিত কৰিবলৈ সভাই সকলো বিদ্যালয়কে আহ্বান জনায়।

(ঘ) প্ৰাক্-বিদ্যালয় পৰ্যায়ত ইংৰাজী বিষয়ৰ আনুষ্ঠানিক শিক্ষা প্ৰদান নকৰাৰ ব্যৱস্থা বাহাল থাকিব।

**(৩) পাঠ্যপুথি সম্পৰ্কীয় :**

যিসমূহ বিদ্যালয়ে প্ৰাক্-বিদ্যালয় স্তৰত বা ইংৰাজী বিষয়ৰ ক্ষেত্ৰত এজবেকৰ দ্বাৰা অনুমোদিত আৰু অজাবি ন্যাসৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথিৰ সলনি আন পাঠ্যপুথি প্ৰচলন কৰি আছে, তেনে বিদ্যালয়ে/বিদ্যালয়সমূহে বিচাৰিলে ২০২০ শিক্ষাবৰ্ষত উক্ত পাঠ্যপুথিসমূহ চলাই ৰাখিব পাৰি; কিন্তু ২০২১ শিক্ষাবৰ্ষৰ পৰা এনে পাঠ্যপুথিসমূহ চলাব নোৱাৰিব।

আন বিষয়ৰ পাঠ্যপুথিৰ ক্ষেত্ৰত ২০২০ শিক্ষাবৰ্ষৰ বাবেও কোনো শিথিলতা প্ৰযোজ্য নহ'ব আৰু অজাবি ন্যাসৰ দ্বাৰা প্ৰকাশিত আৰু এজবেকৰ দ্বাৰা অনুমোদিত পাঠ্যপুথিসমূহেই এইক্ষেত্ৰত ২০২০ শিক্ষাবৰ্ষৰ পৰা প্ৰচলন কৰিব লাগিব।

**(৪)** এজবেক নিৰ্দেশনা পুথি, এপ্ৰিল, ২০১৯ত সন্নিৱিষ্ট আন সকলো চৰ্তাৱলী অপৰিৱৰ্তিত থাকিব।

সকলোৰে আন্তৰিক সহযোগিতা কামনা কৰিলোঁ।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

৭ জানুৱাৰী, ২০২০